Total No. of Printed Pages—3

**1 SEM FYUGP AECASM1**

**2024**

( December )

# ASSAMESE

( Modern Indian Language )

Paper : AECASM1

**( অসমীয়া ভাষাৰ কৌশল আৰু দক্ষতা বিকাশ )**

*Full Marks* : 60 (80 for 2023 Batch)

*Time* : 2 hours (3 hours for 2023 Batch)

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'অসমীয়া ভাষাৰ উচ্চাৰণ' গ্ৰন্থখনৰ লেখক কোন?

(খ) 'হাইফেন'(-)ৰ এটা ব্যৱহাৰ লিখাঁ।

(গ) 'হৰতাল' শব্দটো কোন ভাষাৰ পৰা অসমীয়া ভাষালৈ আহিছে?

(ঘ) 'মোৰ শেষ পাঠ'ৰ মূল পাঠটি কোন ভাষাত লিখা?

(ঙ) 'সাগৰ দেখিছা' ভ্ৰমণ-পুথিখনৰ ৰচক কোন?

(চ) 'শ্ৰেষ্ঠ অসমীয়া নিৰ্বাচিত প্ৰবন্ধ'ৰ সম্পাদক কোন ?

(ছ) 'মজিয়াৰ পৰা মেজলৈ' কাৰ আত্মজীৱনী ?

(জ) অসমীয়া ভাষাত প্ৰথম প্ৰকাশিত পঢ়াশলীয়া বিজ্ঞান পুথিখনৰ নাম কি ?

২। (ক) অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ সমস্যাৰ বিষয়ে এটি আলোচনা কৰাঁ। ১২

অথবা

(খ) অসমীয়া ভাষাৰ বাক্যগঠন সম্পৰ্কে উদাহৰণসহ ব্যাখ্যা কৰাঁ।

৩। বক্তৃতাৰ সৈতে জড়িত বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰাঁ। ৮

৪। (ক) তোমাৰ অঞ্চলৰ যুৱক সংঘৰ বাবে খেলৰ সামগ্ৰী বিচাৰি স্থানীয় বিধায়কলৈ এখন আবেদনপত্ৰ লিখাঁ। ১২

অথবা

(খ) তোমাৰ মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন সম্পৰ্কে আলোচনা কৰিবলৈ অনুষ্ঠিত কৰা ছাত্ৰ একতা সভাৰ বৈঠকখনৰ কাৰ্যবিৱৰণী প্ৰস্তুত কৰাঁ।

৫। (ক) "ভাৰতীয় বৰ্ণাঢ্য সংস্কৃতিত এই সমন্বয়ে শক্তি প্ৰদান কৰিছে।" ইয়াত কেনেধৰণৰ সমন্বয়ৰ কথা কোৱা হৈছে? তোমাৰ পাঠ্যক্ৰমৰ 'ভাৰতীয় সংস্কৃতি' পাঠটিৰ আধাৰত আলোচনা কৰাঁ। ১৪

অথবা

(খ) অসমীয়া নতুন বৈজ্ঞানিক পৰিভাষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা।

৬। অৰ্থ লিখি বাক্যৰচনা কৰা (যি কোনো তিনিটা) : ২×৩=৬

(ক) চকুৰ কুটা দাঁতৰ শাল

(খ) পানীৰ তলৰ কাঁইট

(গ) তৰা-নৰা ছিঙা

(ঘ) নপতা-ফুকন

**( Additional 20 marks for 2023 Batch )**

৭। (ক) 'মোৰ শেষ পাঠ' পাঠটোৰ মূল কথাখিনি তোমাৰ নিজৰ ভাষাৰে লিখা। ১৪

অথবা

(খ) অসমত চাহৰ আৱিষ্কাৰৰ বিষয়ে তোমাৰ পাঠৰ আধাৰত আলোচনা কৰা।

৮। যি কোনো এটাৰ বিষয়ে লিখা : ৬

(ক) ভাষাত জতুৱা ঠাঁচৰ ব্যৱহাৰ

(খ) ভাল লেখনৰ বৈশিষ্ট্য

★★★

**1 SEM FYUGP MINASM1**

**2024**

( December )

# ASSAMESE

( Minor )

Paper : MINASM1

( অসমৰ ভাষা আৰু লিপি )

Full Marks : 60 (80 for 2023 Batch)

*Time* : 2 hours (3 hours for 2023 Batch)

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ (যি কোনো ছয়টা) : ১×৬=৬

(ক) অসমীয়াৰ বাহিৰে অসমত প্ৰচলিত এটা আৰ্যমূলীয় ভাষাৰ নাম লিখাঁ।

(খ) *Assamese, its Formation and Development* গ্ৰন্থৰ লেখক কোন?

(গ) কাছাৰ জিলাত প্ৰচলিত কথ্য উপভাষাটোৰ নাম লিখাঁ।

(ঘ) কামৰূপী উপভাষাৰ 'আপা-আপী' শব্দ দুটা মান্য অসমীয়াত কি হ'ব?

(ঙ) দিহিং, দিচাং, দিবং আদি নদীবাচক শব্দবোৰ কোন ভাষাগোষ্ঠীৰ পৰা অহা ?

(চ) অসমীয়াত উচ্চাৰিত অঘোষ পশ্চতালব্য উষ্ম ধ্বনিটো কি ?

(ছ) লিপি শব্দটো সংস্কৃতৰ কোনটো শব্দৰ পৰা উৎপত্তি হৈছে ?

(জ) টাই শাখাৰ ভাষাবোৰৰ নিজা লিপি আছেনে ?

২। (ক) অসমত প্ৰচলিত তিব্বত-বৰ্মী শাখাৰ ভাষাসমূহৰ চমু পৰিচয় দাঙি ধৰাঁ। ১৩

অথবা

(খ) অসমত প্ৰচলিত থাই-চীনীয় বা শ্যাম-চীনীয় শাখাৰ ভাষাৰ পৰিচয়মূলক এটি টোকা লিখাঁ।

৩। (ক) অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য আলোচনা কৰাঁ। ১৪

অথবা

(খ) অসমীয়া ভাষাৰ এটা ভৌগোলিক উপভাষাৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্য লিখাঁ। ৭+৭=১৪

৪। (ক) অসমীয়া-লিপিৰ বিকাশৰ ধাৰাটোক কেনেদৰে স্তৰ-বিভাজন কৰিব পাৰি, আলোচনা কৰাঁ। ১৩

অথবা

(খ) অসমীয়া লিপিৰ উদ্ভৱ সম্পৰ্কে প্ৰচলিত মত দুটা আলোচনা কৰাঁ।

৫। (ক) অসমীয়া ভাষাৰ ধ্বনিগত দিশত আৰ্যভিন্ন ভাষাৰ উপাদানৰ বিষয়ে আলোচনা কৰা। ১৪

অথবা

(খ) 'আৰ্যভিন্ন ভাষাত অসমীয়া ভাষাৰ উপাদান' মানে কি বুজাঁ? বড়ো অথবা মিচিং ভাষাত অসমীয়া ভাষাৰ উপাদানৰ বিষয়ে লিখাঁ। ৪+১০=১৪

**( Additional 20 marks for 2023 Batch )**

৬। (ক) অসমত কেইটা প্ৰধান পৰিয়ালৰ ভাষাৰ প্ৰচলন আছে? অসমৰ অষ্ট্ৰিকমূলীয় ভাষাৰ বিষয়ে লিখাঁ। ৪+১০=১৪

অথবা

(খ) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰত আৰ্যভিন্ন ভাষাৰ শব্দৰ বিষয়ে আলোচনা কৰা। ১৪

৭। যি কোনো এটাৰ বিষয়ে চমু টোকা লিখাঁ : ৬

(ক) অসমৰ জনজাতীয় ভাষাৰ লিপি

(খ) অসমীয়া ভাষাত টাই-আহোম উপাদান

★★★

Total No. of Printed Pages—3

**2 SEM FYUGP ASMC2**

# 2024

( May/June )

# ASSAMESE

( Core )

Paper : ASMC2

( অসমীয়া সাহিত্যৰ পৰিচয়মূলক ইতিহাস )

*Full Marks* : 80

*Pass Marks* : 24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) অসমীয়া সাহিত্যৰ লিখিত নিদৰ্শন পোনপ্ৰথম ক'ত পোৱা গৈছিল?

(খ) ড. সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া সাহিত্যৰ ইতিহাসক কেইটা ভাগত ভাগ কৰিছে?

(গ) কোনে পোনপ্ৰথমে অসমীয়া সাহিত্যৰ যুগবিভাজন কৰিছিল?

(ঘ) 'শূন্য পুৰাণ' কাৰ ৰচনা?

(ঙ) আদি যুগত অন্তৰ্ভুক্ত যি কোনো এক প্ৰকাৰ সাহিত্যৰ নাম লিখাঁ।

(চ) প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি বুলি কাক আখ্যা দিয়া হয়?

(ছ) 'অৰুণোদই' সংবাদ-আলোচনীখন কোন চনত প্ৰথম প্ৰকাশ হৈছিল?

(জ) অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ মুখপত্ৰ হিচাপে প্ৰকাশ কৰা আলোচনীখনৰ নাম লিখাঁ।

২। (ক) উদ্ভৱকালীন স্তৰৰ অসমীয়া সাহিত্য সম্পৰ্কে পৰিচয়মূলক এটি চমু আলোচনা আগবঢ়োৱাঁ। ১২

*অথবা*

(খ) শঙ্কৰদেৱৰ সমকালীন অসমীয়া সাহিত্যৰ ৰাজনৈতিক পৃষ্ঠভূমি সম্পৰ্কে আলোচনা কৰাঁ।

৩। (ক) অসমীয়া সাহিত্যৰ যুগবিভাজন সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ১৪

*অথবা*

(খ) অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগবিভাজন কৰা যি কোনো এজন পণ্ডিতৰ মতৰ আধাৰত যুগবিভাজনৰ আলোচনা কৰাঁ।

৪। (ক) অসমীয়া সাহিত্যৰ আদি যুগটোৰে সামৰি লোৱা সাহিত্যৰ বিষয়ে পৰিচয়মূলক এটি বৰ্ণনা দাঙি ধৰাঁ। ১২

*অথবা*

(খ) যুগ-নিৰপেক্ষ অসমীয়া সাহিত্য সম্পৰ্কে থূলমূল পৰিচয় আগবঢ়োৱাঁ।

৫। (ক) প্ৰাক্-শংকৰী যুগৰ অসমীয়া সাহিত্যৰ বিশেষত্ব সম্পৰ্কে আলোচনা কৰাঁ। ১৪

অথবা

(খ) অসমীয়া সাহিত্যলৈ শংকৰী যুগৰ অৱদান শীৰ্ষক এটি টোকা লিখাঁ।

৬। (ক) অসমীয়া সাহিত্যৰ আধুনিক যুগ বুলি কওঁতে কোনখিনি সময় আৰু সাহিত্যক সামৰি লৈছে, চমুকৈ আলোচনা কৰাঁ। ১৪

অথবা

(খ) অৰুণোদই যুগৰ সাহিত্যৰ বিশেষত্ব সম্পৰ্কে বিৱৰি লিখাঁ।

৭। তলৰ যি কোনো এটা বিষয়ত চমু টোকা লিখাঁ : ৬

(ক) লোকসাহিত্য

(খ) অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান

★★★

Total No. of Printed Pages—3

**3 SEM FYUGP ASMC3A**

**2 0 2 4**

( December )

ASSAMESE

( Core )

Paper : ASMC 3A

( অসমীয়া সংস্কৃতিৰ স্বৰূপ )

*Full Marks* : 60

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) Culture শব্দৰ মূল কি?

(খ) ভাৰতবৰ্ষত 'সংস্কৃতি' অভিধাটো কোনে প্ৰথম ব্যৱহাৰ কৰিছিল?

(গ) 'অসমৰ মানুহ' গ্ৰন্থৰ ৰচক কোন?

(ঘ) মিচিং জনগোষ্ঠী কোনটো নৃ-গোষ্ঠীৰ অন্তৰ্গত?

(ঙ) যি কোনো এক প্ৰকাৰ অসমীয়া মৌখিক লোক-সংস্কৃতিৰ নাম লিখাঁ।

(চ) অসমত প্ৰচলিত এক প্ৰকাৰ মৃৎশিল্পৰ নাম লিখাঁ।

(ছ) 'দোৰপতি' কোনবিধ শিল্পৰ লগত জড়িত?

(জ) ৰংঘৰ কোন যুগৰ স্থাপত্য?

২। (ক) যি কোনো দুজন সংস্কৃতিবিদে আগবঢ়োৱা সংস্কৃতিৰ সংজ্ঞা উল্লেখ কৰি সংস্কৃতিৰ স্বৰূপ নিৰ্ণয় কৰাঁ। ২+২+৯=১৩

অথবা

(খ) লোক-সংস্কৃতি বুলি ক'লে কি বুজাঁ? অসমীয়া লোক-সংস্কৃতিৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰাঁ। ৩+১০=১৩

৩। (ক) অসমীয়া জাতি গঠনত মংগোলীয় নৃ-প্ৰজাতিৰ অৱদান— শীৰ্ষক এটি টোকা লিখাঁ। ১৩

অথবা

(খ) 'অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি'—শীৰ্ষক এটি আলোচনা যুগুত কৰাঁ।

৪। (ক) অসমীয়া শিল্পকলা সম্পৰ্কে চমু আলোচনা আগবঢ়োৱাঁ। ১৩

অথবা

(খ) অসমৰ বস্ত্ৰ শিল্পৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখাঁ।

৫। (ক) অসমৰ স্থাপত্য বুলি কওঁতে কোনবোৰ উপাদান সামৰি লোৱা হয়, তাৰ এটি বিশ্লেষণ আগবঢ়োৱাঁ। ১৩

অথবা

(খ) অসমৰ ভাস্কৰ্য শিল্পৰ এটি পৰিচয়সূচক আলোচনা যুগুত কৰাঁ।